بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**৮ হিজৰীত সংঘটিত হোৱা কিছুমান যুদ্ধ আৰু অভিযানৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১২ চেপ্তেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে,হুনাইনৰ যুদ্ধৰ বিষয়ে আলোচনা হৈ আছিল, ইয়াৰ অধিক বিৱৰণ এনেদৰে যে হুনাইনৰ যুদ্ধত আল্লাহ তা'লাৰ পক্ষৰ পৰা এনেকুৱা সেনা বাহিনী অৱতৰণ কৰাৰ উল্লেখ পোৱা যায় যিসকলক ফিৰিস্তা বুলি কোৱা হৈছিল। মুফাচ্ছিৰ আৰু জীৱনী লেখক সকলে এই যুদ্ধত ফিৰিস্তা অৱতৰণ কৰাৰ বিষয়ে বিভিন্ন যুক্তি আগবঢ়াইছে। ছহীহ বৰ্ণনাৰ পৰা প্ৰমাণিত যে প্ৰকৃততে ফিৰিস্থা এই যুদ্ধত অংশগ্ৰহণ কৰিছিল। কিন্তু ইয়াত এটা সমস্যাৰ সৃষ্টি হয় যে সহায়ৰ বাবে যদি এজন ফিৰিস্তাই যথেষ্ট তেন্তে হাজাৰ ফিৰিস্তা কিয় অৱতৰণ কৰিছিল? ইমাম ইবনে কাছিৰ (ৰহঃ)য়ে লিখিছে যে আল্লাহৰ ফালৰ পৰা ফিৰিস্তাৰ অৱতৰণ আৰু মুছলমান সকলক দিয়া খবৰ, শুভসংবাদ আছিল, অন্যথা আল্লাহ ফিৰিস্তা অবিহনেও শত্ৰুৰ বিৰুদ্ধে মুছলমান সকলক সহায় কৰিব পাৰিলেহেঁতেন। হজৰত মছীহ মাওউদ (আঃ)য়ে এই কথা উল্লেখ কৰিছে যে কোৰআনত ফিৰিস্তা সকলৰ সহায়ৰ শুভসংবাদৰ ঘটনা উল্লেখ আছে যাতে মোমিনসকলৰ হৃদয়ে প্ৰশান্তি লাভ কৰে আৰু যুদ্ধত যেন তেওঁলোকে কোনো ভয় নকৰে। গতিকে আল্লাহ তা'লাই কোৰআনত মোমিনসকলৰ সৈতে অংগীকাৰ কৰি তেওঁলোকক শুভসংবাদ দিছে যে পাঁচ হাজাৰ ফিৰিস্তাৰ জৰিয়তে তেওঁলোকৰ সহায় কৰা হ'ব। এই সংখ্যাটো অধিক কৰি দেখুৱাৰ

কাৰণ হৈছে যাতে তেওঁলোকে শুভ সংবাদ পায়।

শত্রুসকলৰ পৰাজয় আৰু পলায়ন সন্দৰ্ভত আগতে বিস্তাৰিতভাৱে বৰ্ণনা কৰা হৈছে যে বনু হাৱাজন যিসকল আৰবৰ জনগোষ্ঠীৰ মাজৰ এটা শক্তিশালী জনগোষ্ঠী আছিল; তেওঁলোকৰ দাবী আছিল যে আজিলৈকে মহম্মদ (ছাঃ)ৰ মুখামুখী কোনো যোদ্ধা জাতিৰ সৈতে হোৱাই নাই, আমাৰ সৈতে যেতিয়া মুখামুখী হ'ব তেতিয়া আমি দেখুৱাই দিম যে যুদ্ধ কি ? তেওঁলোকে ক্ষন্তেক সময়ৰ ভিতৰতে পৰাজিত হৈ পলায়ন কৰিলে আৰু নিজৰ পৰিয়ালবৰ্গ তথা সা-সম্পদ আৰু জন্তুৰ প্ৰতি কোনো ভ্ৰূক্ষেপও নকৰিলে। বনু হাৱাজন পলায়ন কৰাৰ পাছতো ছাকিফ গোষ্ঠীৰ যোদ্ধা সকলে অটুট হৈ বীৰত্বৰ সৈতে যুদ্ধ কৰি থাকিল; ইমানে যে তেওঁলোকৰ সত্তৰ জন লোক নিহত হৈ গ'ল। তেওঁলোকৰ শেষ অগ্ৰগামী উছমান বিন আব্দুল্লাহ আছিল, যেতিয়া তেওঁ নিহত হৈছিল তেতিয়া ছাকিফ গোষ্ঠীয়েও পলায়ন কৰিছিল।

এই যুদ্ধত চাৰিজন চাহাবা শ্বহীদ হৈছিল। তেওঁলোকৰ নাম এনেদৰে, হজৰত উম্মে ইয়ামিন (ৰাঃ)ৰ ল'ৰা আয়মন বিন উবায় (ৰাঃ), ছুৰাকা বিন হাৰিছ (ৰাঃ), ইয়াজিদ বিন জামাআ (ৰাঃ) আৰু হজৰত আবু আমিৰ (ৰাঃ)। এজন বৰ্ণনাকাৰীয়ে বৰ্ণনা কৰিছে যে যেতিয়া কাফিৰ সকলে পৰাজয় হৈছিল আৰু মুছলমান সকলে নিজৰ শিবিৰৰ ফালে গৈছিল তেতিয়া মই ৰছুলুল্লাহ (ছাঃ)ক দেখিছিলো যে তেখেত (ছাঃ)য়ে মানুহৰ মাজত চলা-ফুৰা কৰি কৈ আছিল যে খালিদ বিন অলিদলৈকে কোনে যাব ? যেতিয়া তেওঁৰ ওচৰত গৈ পালে তেতিয়া খালিদ উটৰ কুঁজৰ সৈতে হেলান দি আছিল। হুজুৰ (ছাঃ)য়ে খালিদৰ ওচৰত বহি তেওঁৰ ক্ষত চাই নিজৰ মুখৰ লালী তাতে লগাই দিছিল যাৰ ফলত তেওঁ আৰোগ্য লাভ কৰিছিল। ইয়াৰ বাহিৰে হজৰত আব্দুল্লাহ বিন আবি আউফা, হজৰত আবু বক্কৰ ছিদ্দিক, হজৰত উমৰ (ৰাঃ), হজৰত উছমান (ৰাঃ) আৰু হজৰত আলী (ৰাঃ)য়েও আঘাতপ্ৰাপ্ত হৈছিল।

আৰম্ভণিতে যেতিয়া হুনাইনৰ ময়দানৰ পৰা কিছুমান মুছলমানসকলে পলায়ন কৰিছিল তাৰে কিছুমান মক্কালৈ গুচি গৈ এয়া কৈছিল যে মুছলমান সকলে পৰাজয় হৈছে আৰু নাউজুবিল্লাহ মহম্মদ (ছাঃ)ক হত্যা কৰা হৈছে। এই খবৰ পাই মক্কাৰ কপটাচাৰী সকলে যিসকলৰ অন্তৰত আগৰে পৰাই ঘৃণা আছিল তেওঁলোকে বহু আনন্দিত হৈ ক'ব ধৰিলে যে এতিয়া আৰব নিজৰ পুৰ্বপুৰুষ সকলৰ ধৰ্মলৈ ঘূৰি আহিব। ক্ষন্তেক সময় পাছতেই হুনাইনৰ পৰা এই শুভসংবাদ আহিছিল যে মুছলমান সকলে জয় লাভ কৰিছে আৰু বনু হাৱাজনে বেয়াকৈ পৰাজয় হৈ পলায়ন কৰিছে।

মক্কা বিজয়ৰ ঘটনা উল্লেখ কৰাৰ ক্ষন্তেক আগতে খোতবাত আজম অভিযানৰ বিৱৰণত এইটো উল্লেখ হৈ আছিল যে এজন চাহাবা মাহাল্লিম বিন জিছামাই এজন এনেকুৱা ব্যক্তিক হত্যা কৰিছিল যিয়ে মৃত্যুৰ আগতে আচ্ছালামু আলাইকুম কৈছিল। এই ঘটনাৰ কিছু বিস্তাৰিত বিৱৰণ এনেদৰে বৰ্ণনা কৰা হৈছে যে হুনাইনৰ যুদ্ধৰ পিছত যেতিয়া আঁহজৰত (ছাঃ)য়ে তায়েফৰ ফালে যুদ্ধৰ বাবে ৰাওনা হৈছিল; এদিন জহৰৰ নামাজৰ পিছত উয়াইনা বিন হিছনে নিহত আমিৰ বিন আজবাত আশ্বজয়ীৰ প্ৰতিশোধ লোৱাটো বিচাৰিছিল; আকৰাহ বিন হাবিছে মাহাল্লিম বিন জিছামাক বচাব বিচাৰিছিল। সেই দুয়োজনে তেখেত (ছাঃ)ৰ সন্মুখত তৰ্ক আৰম্ভ কৰিছিল। আঁহজৰত (ছাঃ)য়ে উয়ায়নাক তেজৰ ধন গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছিল। তেজৰ ধন ইত্যাদিৰ সিদ্ধান্ত হোৱাৰ পিছত

মাহিল্লামে উঠি আঁহজৰত (ছাঃ)ৰ ওচৰত আহি বহিল, তেওঁৰ চকুৰ পৰা অশ্রু নির্গত হৈ আছিল। তেওঁ কৈছিল যে যি কথা আপুনি জানিব পাৰিছে তাৰ বাবে মই আল্লাহৰ ওচৰত ক্ষমা বিচাৰো। আপুনি মোৰ বাবে ক্ষমাৰ প্রার্থনা কৰক। তেখেত (ছাঃ)য়ে কয় যে তোমাৰ নাম কি ? তেওঁ কলে যে মাহিল্লাম বিন জিছামা। তেখেত (ছাঃ)য়ে কলে যে তুমি ছালামৰ প্রাৰম্ভিকতে তেওঁক হত্যা কৰিছা, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে উচ্চস্বৰে কৈছিল যে হে আল্লাহ! মুহিল্লামক ক্ষমা কৰা। এই বাক্যটো সকলোৱে শুনা পাইছিল। তেওঁ পুনৰায় কৈছিল যে হে আল্লাহৰ ৰছুল! মই ক্ষমা বিচাৰো, আপুনিও মোৰ বাবে ক্ষমা বিচৰা, তাৰ পিছত তেখেত (ছাঃ)য়ে উচ্চস্বৰে কৈছিল যাতে লোকসকলে শুনিব পাৰে, হে আল্লাহ ! মাহিল্লাম বিন জিছামাক ক্ষমা নকৰিবা। তেওঁ তৃতীয়বাৰ আকৌ সেয়াই কৈছিল, তেখেত (ছাঃ)য়ে তৃতীয়বাৰো একেই উত্তৰ দিলে; তাৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁক কৈছিল যে মোৰ সন্মুখৰ পৰা উঠি গুচি যোৱা। ইবনে ইছহাকৰ এটা বর্ণনাত আছে যে তেওঁৰ জাতিৰ লোকসকলে বর্ণনা কৰিছে যে পিছত আঁহজৰত (ছাঃ)য়ে তেওঁৰ বাবে ক্ষমাৰ দোৱা কৰিছিল।

আউতাছ্ অভিযানৰ বিৰৰণ এনেদৰে যে বানু হাৱাজন গোষ্ঠীয়ে নিজৰ পত্নী, ল'ৰা-ছোৱালী, সা-সম্পদ আৰু জন্তুবোৰ লগতে লৈ যুদ্ধত অংশগ্রহণ কৰিছিল, কিন্তু যুদ্ধত পৰাজিত হৈ সকলোবোৰ এৰি তেওঁলোকে পলায়ন কৰিছিল, সকলোবোৰ সা-সম্পদ যুদ্ধলব্দ হিচাপে মুছলমান সকলৰ অধীনত আহি গ'ল। নবী কৰিম (ছাঃ)য়ে হজৰত আবু আমিৰ আশ্বআৰী (ৰাঃ)ৰ নেতৃত্বত সেনা বাহিনী তেওঁলোকক ঘেৰাও কৰাৰ উদ্দেশ্যেৰে আউতাছৰ ফালে ৰাওনা কৰিছিল; আবু মুছা আশ্বআৰী (ৰাঃ) আৰু ছালমা বিন আকৰা (ৰাঃ)য়েও সেই সেনাসকলৰ মাজত আছিল। হজৰত আবু আমিৰ (ৰাঃ)য়ে শত্রুসকলক যুদ্ধৰ নিমন্ত্রণ জনাইছিল। শত্রু পক্ষত দহজন ভাতৃ আছিল তেওঁলোকে দৃষ্টান্তহীন যুদ্ধ কৰাৰ দক্ষতা ৰাখিছিল। সেই দহজন ভাতৃ সংগ্রামৰ বাবে ওলাই আহিছিল। আবু আমিৰ (ৰাঃ)য়ে পোনপ্রথমে তেওঁলোকৰ সকলোকে ইছলামৰ ফালে আহ্বান জনায়, কিন্তু তেওঁলোকে যুদ্ধ কৰাটো অগ্রাধিকাৰ দিছিল। তেওঁলোক সকলোৱে নিহত হৈছিল, ইয়াৰ পাছত আন আন ন জন ভাতৃয়েও নিহত হৈছিল। ১০ নম্বৰ ভাতৃয়ে পিছত ইছলাম গ্রহণ কৰিছিল। কোৱা হয় যে তেওঁ দৃঢ় আৰু ভাল মুছলমান বুলি প্রমাণিত হৈছিল। অর্থাৎ হজৰত আবু আমিৰ (ৰাঃ)য়ে এইদৰে মন প্রাণেৰে যুদ্ধ কৰিছিল সেই মুহূর্ততে এটা কাঁড় আহি তেওঁৰ বুকুত আৰু এটা আঁঠুত লাগিছিল, ক্ষত গভীৰ হোৱাৰ বাবে তেখেত (ৰাঃ) জীয়াই থাকিব নোৱাৰিলে। আবু মুছা (আশ্বআৰী (ৰাঃ)য়ে তেওঁলোকৰ সৈতে যুদ্ধ কৰিছিল আৰু শত্রুসকলে পৰাজয় হৈ তাৰ পৰা পলায়ন কৰিছিল।

তাৰ পিছত তুফেইল বিন আমৰু দুছী (ৰাঃ)ৰ অভিযানৰ উল্লেখ আছে। আঁহজৰত (ছাঃ)য়ে যেতিয়া হুনাইনৰ পৰা তায়েফৰ ফালে ৰাওনা হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে তুফেইল দুছী (ৰাঃ)ক জুলকুফেন নামৰ মূর্তিটো ভাঙি পেলোৱাৰ বাবে পঠিয়াইছিল। আঁহজৰত (ছাঃ)য়ে তেওঁক উপদেশ দিছিল যে ভালদৰে ইছলামৰ প্রচাৰ কৰিবা, অর্থাৎ ছালামৰ পন্থাৰ পৰামর্শ দিবা, লোকসকলৰ বাবে আহাৰৰ যোগান ধৰিবা, আল্লাহ তা'লাৰ প্রতি সেইদৰে লাজ কৰিবা যিদৰে এজন সন্মানীয় মানুহ নিজৰ পৰিয়ালৰ আগত লাজ কৰে। যেতিয়াই কোনো ভুল বা পাপ হৈ যায় তৎক্ষণাত পুণ্য কাম কৰিবা, কিয়নো পুণ্য কামে পাপ আঁতৰ কৰে। আকৌ কয় যে নিজৰ জাতিৰ লোকসকলক লগতে

লৈ ল’বা, এই কাম সম্পূৰ্ণ কৰি তায়েফৰ ফালে উভতি যাবা। তেখেত (ৰাঃ)য়ে নিজৰ জাতিৰ পৰা চাৰি শ সদস্যক নিজৰ লগতে লৈ কাঠেৰে নিৰ্মিত মূৰ্তিটো জুইৰে জ্বলাই দিছিল।

তায়েফৰ যুদ্ধ আঠ হিজৰীত সংঘটিত হৈছিল, তায়েফ বৰ মজবুত ঠাই আছিল। তেখেত (ছাঃ)য়ে হজৰত খালিদ বিন অলিদ (ৰাঃ)ৰ নেতৃত্বত এহেজাৰ সৈনিকৰ এটা দল ৰাওনা কৰিছিল তেওঁলোকে তাতে গৈ তায়েফৰ বাসিন্দাসকলৰ সৈতে আলোচনা কৰিছিল, কিন্তু তেওঁলোকে এই আলোচনাৰ প্ৰতি ইচ্ছুক নহ’ল। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে নিজেই তায়েফৰ ফালে ৰাওনা হৈছিল। নবী কৰিম (ছাঃ)য়ে প্ৰথমে তায়েফৰ কাষতীয়া মুকলি ঠাইত শিৱিৰ পাতিছিল। সেনাসকলে ভালদৰে প্ৰস্তুতি লোৱা নাছিল ইমানতেই দুৰ্গৰ পৰা ধাৰাসাৰ ধনুৰ্বিদসকলে কাঁড় নিক্ষেপ কৰি বহু মুছলমানক আঘাতপ্ৰাপ্ত কৰিছিল। ঘেৰাও কৰা অৱস্থাত দুয়ো পক্ষৰ পৰা কাঁড় নিক্ষেপ আৰু শিল দলিয়াই থকা ঘটনা চলি থাকিল। এই পৰিস্থিতিৰ পৰা ৰক্ষা পোৱাৰ বাবে আঁহজৰত (ছাঃ)য়ে মিনজানিক (শিল দলিয়াই দিয়াৰ বাবে প্ৰয়োগ কৰা মেচিন) প্ৰয়োগ কৰি ডাঙৰ ডাঙৰ শিলগুটি নিক্ষেপ কৰিছিল। সেই সময়ছোৱাত আঁহজৰত (ছাঃ)য়ে এবাৰ তায়েফৰ আঙুৰৰ বাগিচা কাটিবলৈ নিৰ্দেশ দিছিল, মই ভাৱো এইটো আছিল অন্তিম উপায়, যিটো নিশ্চয় সাধাৰণতে ভয় দেখুৱাবলৈ ব্যৱহাৰ কৰা হৈছিল। পিছত সেয়া বাতিল কৰা হৈছিল। আঁহজৰত (ছাঃ) আৰু চাহাবা (ৰাঃ) আধা মাহ বা তাতোকৈ অধিক সময় তায়েফৰ বাসিন্দা সকলৰ লগত যুদ্ধত লিপ্ত আছিল। কিন্তু হুনাইনৰ পৰাজয়ে তেওঁলোকৰ অন্তৰত ইমানে ভয় আৰু ভীতি সৃষ্টি কৰিছিল যে তেওঁলোকে দুৰ্গৰ ভিতৰৰ পৰা যুদ্ধ কৰি থাকিছিল আৰু বাহিৰলৈ ওলাই অহা নাছিল।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন প্ৰয়াত মাননীয় ডাক্তৰ ছৈয়দ শ্বাহাব আহমদ চাহাব, এখেত হজৰত মছীহ মাওউদ (আঃ)ৰ চাহাবা আৰু বিহাৰ ৰাজ্যৰ হজৰত ছৈয়দ ইৰাদত হুছেইন চাহাব (ৰাঃ)ৰ নাতি আছিল। আনজন মাননীয় মোবাৰক খুকৰ চাহাব লাহোৰৰ সদগতি বৰ্ণনা কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু দুয়োজনৰ বাবে মাগফিৰাতৰ দোৱা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB